بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## বনু মোস্তালিকৰ যুদ্ধৰ পৰিস্থিতি আৰু ঘটনা সম্পৰ্কে বৰ্ণনা আৰু মহৰম মাহৰ উদ্দেশ্যে দোৱাৰ তেহেৰিক

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১২ জুলাই ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ۔ اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ۔ الرَّحۡمٰنِ الرَّحِیۡمِ۔ مٰلِکِ یَوۡمِ الدِّیۡنِ۔ اِیَّاکَ نَعۡبُدُ وَاِیَّاکَ نَسۡتَعِیۡنُ۔ اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ۔ صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَلَا الضَّآلِّیۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় আজি বনু মুস্তালিক নাইবা মুৰায়ছিৰ যুদ্ধ সম্পৰ্কে বৰ্ণনা কৰিম। এই যুদ্ধ কেতিয়া সংঘটিত হৈছিল। এই বিষয়ে জীৱনী লিখক সকলৰ মাজত মতানৈক্য আছে। কিছুমান লিখকৰ মতে এই যুদ্ধ ৬ হিজৰীত সংঘটিত হৈছিল। কিন্তু হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে কৰা অনুসন্ধান অনুসৰি এই যুদ্ধ ৫ হিজৰীৰ শ্বাবান মাহত সংঘটিত হৈছিল। কবিলা বনু খাজাআৰ এই শাখা বনু মুস্তালিকৰ সৈতে এই যুদ্ধ সংঘটিত হোৱাৰ কাৰণে এই যুদ্ধক বনু মুস্তালিকৰ যুদ্ধ বুলি কোৱা হয় আৰু এই কবিলাৰ মানুহে মুৰায়ছি নামৰ এটা কুঁৱাৰ কাষত বাস কৰিছিল, সেয়ে এই যুদ্ধক মুৰায়ছিৰ যুদ্ধ বুলিও কোৱা হয়।

বনু মুস্তালিক কুৰাইছ সকলৰ বন্ধু আছিল আৰু এওঁলোকে শপত লৈছিল যে তেওঁলোকে সদায় কুৰাইছ সকলৰ লগত মিলিজুলি থাকিব আৰু এই চুক্তি অনুযায়ী বনু মুস্তালিকৰ লোক সকলে উহুদৰ যুদ্ধত কুৰাইছৰ সৈন্য দলত যোগদান কৰিছিল।

এই যুদ্ধত আন এটা কাৰণ আছিল এয়া যে বনু মুস্তালিক ইছলামৰ ঘোৰ শত্ৰু হৈ উঠিছিল। এওঁলোকে মুছলমানৰ বিৰুদ্ধে কুৰাইছ সকলক পূৰ্ণ ভাৱে সহায় সহযোগ কৰি গৈছিল। উহুদৰ যুদ্ধত মুছলমানৰ বিৰুদ্ধে অংশ গ্ৰহণ কৰাৰ কাৰণে বনু মুস্তালিকে পিছত মুকলি মুৰীয়াকৈ মুছলমানৰ বিৰুদ্ধে নামিছিল। তেওঁলোকে চতুৰালিৰ সীমা চেৰাই গৈছিল। দ্বিতীয় কাৰণ হ'ল মক্কা মকৰমালৈ যোৱা প্ৰধান ৰাস্তাৰ ওপৰত

বনু মুস্তালিকৰ পূৰ্ণ নিয়ন্ত্ৰণ আছিল। এওঁলোকে মুছলমানৰ মক্কাত প্ৰৱেশ কৰাত পূৰ্ণ বাধা আৰোপ কৰাৰ শক্তি ৰাখিছিল। তৃতীয় কাৰণ হ'ল বনু মুস্তালিকৰ চৰদাৰ হাৰিছ বিন আবি জিৰাৰে নিজৰ সম্প্ৰদায় আৰু আৰবৰ বাসিন্দা সকলক আঁহজৰত (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধত নামিবলৈ প্ৰস্তুত কৰি তুলিছিল আৰু মদিনাৰ পৰা ৯৬ কি:মি: দূৰৰ এখন ঠাইত সৈন্য সামন্ত জমা কৰিবলৈ আৰম্ভ কৰিছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে ছিৰাত খাতামান নাবীঈন (ছাঃ) পুস্তকত এই সম্পৰ্কে লিখিছে যে কুৰাইছ সকলৰ বিৰোধীতা দিনক দিনে ভয়ানক হৈ উঠিছিল। তেওঁলোকে নিজৰ শত্ৰুতা বঢ়াই তুলি ইছলামৰ বিৰুদ্ধে আৰু বানি ইছলামৰ বিৰুদ্ধে গোটেই আৰবক একগোট কৰি তুলিছিল। আনহাতে তেওঁলোকৰ শত্ৰুতাই এনেকুৱা ভয়ানক ৰূপ লৈছিল যে হাজাজৰ সেই কবিলা বিলাক যিসকলৰ সৈতে মুছলমান সকলৰ সম্পৰ্ক ভাল আছিল তেওঁলোকেও কুৰাইছৰ লগত মিলি মুছলমান সকলৰ বিৰুদ্ধে শত্ৰুতা কৰিবলৈ আৰম্ভ কৰিছিল। এনে পৰিস্থিতিত কবিলা বনু খাজাআৰ এটা শাখা বনু মুস্তালিকে প্ৰথমে মদিনা আক্ৰমণ কৰাৰ প্ৰস্তুতি লৈছিল। তেওঁলোকৰ চৰদাৰ হাৰিছ বিন আবি জিৰাৰে সেই অঞ্চলৰ আন আন কবিলা বিলাকক নিজৰ লগত মিলাই লৈছিল।

আঁহজৰত (ছাঃ)য়ে যেতিয়া এই ষড়যন্ত্ৰৰ খবৰ পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে বুৰিদা বিন আল হুচায়েবক বিষয়টো গম ল'বলৈ বনু মুস্তালিকৰ ওচৰত পঠাই দিয়ে। তেখেত (ৰাঃ)য়ে তাৰ পৰা ওভতি আহি জনাইছিল যে বনু মুস্তালিকে বৰ শক্তিশালী ভাৱে মদিনা আক্ৰমণৰ যো-জা চলাইছে। তেতিয়া আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক মাতি আনি শত্ৰু সকলৰ সকলো খবৰ জনায় আৰু অতি সোনকালে ইছলামী সৈন্যদল সাজু হৈ বনু মুস্তালিকৰ ফালে যাত্ৰা কৰে। আঁহজৰত (ছাঃ)ৰ যাত্ৰা সম্পৰ্কে এনেদৰে বৰ্ণনা কৰিছে যে আঁহজৰত (ছাঃ)য়ে হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ক মদিনাত তেখেত (ছাঃ)ৰ সহকাৰী হিচাপে নিযুক্ত কৰে। ইবনে হিশামে হজৰত নুমায়লা বিন আব্দুল্লাহ (ৰাঃ)ৰ নামও উল্লেখ আছে। যিয়েই নহওঁক সৈন্যদল যাত্ৰা কৰিছিল। ইছলামী সৈন্য সংখ্যা আছিল ৭০০ জন। আঁহজৰত (ছাঃ) ৫ হিজৰীৰ শ্বাবান মাহৰ ২ তাৰিখত সোমবাৰ দিনা মদিনাৰ পৰা বনু মুস্তালিকৰ ফালে যাত্ৰা কৰিছিল। হজৰত মাছুদ বিন হুনায়দা মুছলমান সৈন্য দলৰ ৰাহেব আছিল। এই সম্পৰ্কে আৰু বৰ্ণনা আছে যে আঁহজৰত (ছাঃ)ৰ বহু সংখ্যক মুনাফিকেও যাত্ৰা কৰিছিল। তেওঁলোকে ইয়াৰ আগতে কেতিয়াও এনেদৰে যুদ্ধলৈ বুলি যাত্ৰা কৰা নাছিল। যুদ্ধ কৰা আচলতে মুনাফিক সকলৰ উদ্দেশ্য নাছিল, তেওঁলোকে কেৱল মালে গনিমত লাভ কৰাৰ লোভত গৈছিল যে যদি জয় হয় তেন্তে গনিমতৰ ধন পাব।

গোটেই বাহিনীত মাত্ৰ ত্ৰিছটা ঘোঁৰা আছিল যদিও উটৰ সংখ্যা অলপ বেছি আছিল আৰু সেইবিলাকত মুছলমান সকলে বাৰে পতি আৰোহণ কৰি গৈছিল। বাটতে মুছলমান সকলে কাফিৰ সকলৰ এজন গুপ্তচৰক লগ পায় আৰু তাক গ্ৰেপ্তাৰ কৰি আনি আঁহজৰত (ছাঃ)ৰ ওচৰত হাজিৰ কৰে। গুপ্তচৰ হয়নে নহয়। লোকজন সঁচাকৈয়ে গুপ্তচৰ বুলি প্ৰতিপন্ন হোৱাৰ পিছত তাৰ ওচৰত কাফিৰ সকলৰ বিষয়ে সোধ-পোছ কৰাত লোকজনে ক'বলৈ অস্বীকাৰ কৰে। লোকজনৰ আচৰণ সন্দেহজনক হোৱা হেতুকে যুদ্ধৰ আইন অনুসৰি হজৰত উমৰ (ৰাঃ)য়ে তাক হত্যা কৰে তাৰ পিছত সৈন্যদল আগলৈ বুলি যাত্ৰা কৰে।

বনু মুস্তালিকে যেতিয়া মুছলমান সকলৰ আগমন আৰু নিজৰ গুপ্তচৰ মৃত্যু মুখত পৰা বুলি খবৰ পায় তেতিয়া তেওঁ বৰ ভয় খাই যায় তাৰ আচল উদ্দেশ্য আছিল আকস্মাত গৈ মদিনা আক্ৰমণ কৰিব কিন্তু এই সম্পূৰ্ণ বিষয় আঁহজৰত (ছাঃ)য়ে আগতেই গম পাই যোৱাত বনু মুস্তালিকৰ খৰক-বৰক লাগি যায়।

তেওঁ বহুত আতংকিত হৈ পৰে আৰু তেওঁক সহায় কৰিবলৈ অহা আন আন কবিলা বিলাকে খোদা তা'লাৰ প্ৰতাপ আৰু সহায়ৰ ৰেহৰূপ চাই কিছুমানে এনেকুৱা ভয় পায় যে মুস্তালিকৰ লগ এৰি নিজৰ নিজৰ ঘৰলৈ বুলি বাট ধৰে। কিন্তু বনু মুস্তালিকক কুৰাইছ সকলে মুছলমানৰ শত্ৰুতাৰ এনে কিছুমান নিচা পান কৰাইছিল যে তেওঁ যুদ্ধ কৰাৰ সিদ্ধান্ত এৰি নিদিয়ে বৰং পূৰ্ণ ভাৱে সাজু হৈ ইছলামী সেনা বাহিনীৰ মুখামুখী হ'বলৈ প্ৰস্তুত হৈ থাকে।

যেতিয়া আঁহজৰত (ছাঃ)য়ে মুৰায়ছাত গৈ উপস্থিত হৈছিল তেতিয়া তেখেত (ছাঃ)ৰ বাবে ছালৰ তম্বু পাৰি দিয়া হৈছিল। হজৰত আয়শা ছিদ্দিকা (ৰাঃ) আঁহজৰত (ছাঃ)ৰ লগত আছিল। তেখেত (ছাঃ)য়ে চাহাবা সকলৰ শাৰী পাতি দিয়ে আৰু মুহাজিৰিণ সকলৰ পতাকা হজৰত আবু বক্কৰ (ৰাঃ)ৰ হাতত দিছিল। আন এটা বৰ্ণনাত আছে যে হজৰত আম্মাৰ বিন হয়াছিৰ (ৰাঃ)ৰ হাতত এয়া প্ৰদান কৰিছিল। আনছাৰ সকলৰ পতাকা হজৰত ছাআদ বিন উবেয়দা (ৰাঃ)ৰ হাতত দিয়া হৈছিল। তেখেত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক শত্ৰুৰ আগত ঘোষণা কৰিবলৈ কৈছিল যে কোৱা হে লোক সকল ! কোৱা আল্লাহ ব্যাতিৰেকে কোনেও উপাসনাৰ যোগ্য নহয় আৰু তাৰ জৰিয়তে প্ৰাণ আৰু ধন মাল নিৰাপদ কৰি লোৱা। হজৰত উমৰ (ৰাঃ) য়ে ঠিক তেনেদৰেই ঘোষণা কৰাৰ পিছত মুশৰিক সকলে সেয়া উপেক্ষা কৰে আৰু কিছু সময় তীৰৰ যুদ্ধ চলি থাকে।

প্ৰথম তীৰটো মুশৰিক সকলৰ এজনে নিক্ষেপ কৰিছিল আৰু মুছলমান সকলেও তাৰ প্ৰত্যুত্তৰ দি থাকে। ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক আক্ৰমণ চলাবলৈ আদেশ দিয়ে। মুছলমান সকলে জোঁট বান্ধি আক্ৰমণ কৰিবলৈ আৰম্ভ কৰে। মুশৰিক সকলৰ কোনেও পলাই যাবলৈ সক্ষম নহয়। মুশৰিক সকলৰ দহজন লোক নিহত হৈছিল আৰু বাকী লোক সকল গ্ৰেপ্তাৰ হয়। আঁহজৰত (ছাঃ)য়ে তেওঁলোকৰ পুৰুষ, মহিলা, ল'ৰা-ছোৱালী, জন্তু আদি সকলোকে বন্দী বনাই লৈছিল।

হজৰত মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এই বিষয়ে বৰ্ণনা কৰিছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে মৰাছি গৈ পাইছিল তেতিয়া তেখেত (ছাঃ)য়ে তাতেই ছাউনি পাতিবলৈ আদেশ দিয়ে আৰু শাৰী পতা আৰু পতাকা ভগাই দিয়াৰ পিছত তেখেত (ছাঃ)ৰ আদেশ অনুযায়ী হজৰত উমৰ (ৰাঃ)য়ে বনু মুস্তালিকলৈ এয়া ঘোষণা কৰে যে এতিয়াও যদি তোমালোকে ইছলামৰ শত্ৰুতা কৰিবলৈ এৰি দিয়া আৰু আঁহজৰত (ছাঃ)ৰ শাসন মানি লোৱা তেন্তে তোমালোকক নিৰাপত্তা দিয়া হ'ব আৰু মুছলমান সকলে ওভতি যাব। কিন্তু বনু মুস্তালিকে এই কথাবোৰ মানি ল'বলৈ অস্বীকাৰ কৰে আৰু যুদ্ধৰ বাবে সাজু হৈ পৰে। ইমানেই যে তেওঁলোকৰ ফালৰ পৰাই প্ৰথমে তীৰ চলাবলৈ আৰম্ভ কৰে। যেতিয়া আঁহজৰত (ছাঃ)য়ে তেওঁলোকৰ এনে অৱস্থা দেখিবলৈ পায় তেতিয়া তেখেত (ছাঃ) চাহাবা সকলক ৰণ কৰিবলৈ আদেশ দিয়ে, কিছু সময় পিছত দুয়ো পক্ষৰ মাজত তুমুল যুদ্ধ চলাৰ পিছত আঁহজৰত (ছাঃ)য়ে চাহাবা সকলক যুদ্ধৰ প্ৰকোপ আৰু তীব্ৰ কৰিবলৈ আদেশ দিয়ে আৰু হঠাতে আক্ৰমণ তীব্ৰ হৈ পৰাত কাফিৰ সকলৰ ভৰি থৰক বৰক হৈ পৰে। কিন্তু মুছলমান সকলে এনেকুৱা সতৰ্কতাৰে শত্ৰু পক্ষক বেৰি ধৰে যে শত্ৰু পক্ষই আত্ম সমৰ্পন কৰিবলৈ বাধ্য হৈ পৰে। মাত্ৰ দহজন কাফিৰ আৰু এজন মুছলমানৰ মৃত্যুতেই যুদ্ধৰ অন্ত পৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজি মহৰম হিচাপে সকলোকে দোৱাৰ ফালে মনোযোগ আকৰ্ষণ কৰিছোঁ। এয়া বৰ হৃদয় বিদাৰক ঘটনা আছিল, য'ত জুলুম অত্যাচাৰ বৰ্বৰতাৰ এক নিষ্ঠুৰ দৃষ্টান্ত ৰৈ গৈছে। আঁহজৰত (ছাঃ)ৰ নাতিয়েক আৰু তেখেত (ছাঃ)ৰ বংশৰ লোক সকলক নিৰ্মম ভাৱে শ্বহীদ কৰা হৈছিল। কিন্তু মুছলমান সকলৰ দুৰ্ভাগ্য হ'ল যে ইয়াৰ পৰা ভাল শিক্ষা লোৱাৰ পৰিৱৰ্তে জুলুম অত্যাচাৰ এতিয়াও চলাই আছে। মহৰম মাহত ছিয়া আৰু ছুন্নীৰ মাজত লড়াই কাজিয়া বেছি বাঢ়ি যায়। দুয়ো ফালৰে প্ৰাণ হানি

হয়। আল্লাহ তা'লা এই বিবাদৰ অন্ত পেলাবলৈ নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী যি ব্যৱস্থাপনা হাতত লৈছে সেয়া গ্ৰহণ কৰি ল'বলৈ এওঁলোকে সাজু নহয়। হায় ! তেওঁলোকে যদি বুজি পালেহেঁতেন।

যিয়েই নহওঁক এই দিনবোৰত আহমদী সকলে বেছি বেছি দৰূদ পাঠ আৰু মুছলমান সকলৰ মাজত একতা সৃষ্টিৰ বাবে দোৱা কৰিব। নিজৰ অৱস্থা উন্নত কৰিবলৈ আৰু আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক গঢ়িবলৈ চেষ্টা কৰা উচিত। আল্লাহ তা'লা সকলোকে ইয়াৰ বাবে তৌফিক দান কৰক।

সৰ্বশেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম বুনিজা মেহমুদ চাহাব অফ টুগুৱ শ্বাহাদতৰ ঘটনা বৰ্ণনা কৰে। তাৰ পিছত মকৰম ৰশিদ আহমদ চাহাব, মকৰম চৌধুৰী মতিয়াৰ ৰহমান চাহাব, মকৰমা মনজুৰ বেগম চাহিবা আৰু মকৰম মাষ্টাৰ ছাআদত আশ্ৰফ চাহাবৰ মৃত্যুত তেওঁলোকৰ চমু বিৱৰণী আগবঢ়ায় আৰু তেওঁলোকৰ জামাতি খিদমত সম্পৰ্কে চমু টোকা বৰ্ণনা কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে মৰহুমিন সকলৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তা'লা মৰহুমিন সকলৰ পৰলৌকিক মৰ্যদা উন্নীত কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّا اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 12 JULY 2024**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844

অনুবাদক ঃ শ্বাহজাহান আলি মুৱাল্লিম ছিলছিলা